# অসম বিধানসভা
## তৰাবিহীন প্ৰশ্ন নং :-১৭৮
## উত্তৰ দিয়াৰ তাৰিখ :-০৯-০৭-২০২৬

**বিষয় : জুবিন গাৰ্গৰ স্মৃতিত সাংস্কৃতিক কেন্দ্ৰ স্থাপন সম্পৰ্কে।**

**বিধায়িকা : শ্ৰীমতী বেবী বেগম।**

মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ স্মৃতি যুগমীয়া কৰিবলৈ ৰাজ্য চৰকাৰে কি কি পদক্ষেপ গ্ৰহণ কৰিছে ? তথ্যসহ দাখিল কৰিব।

(খ) জুবিন গাৰ্গৰ স্মৃতিত অসমৰ প্ৰতিটো বিধানসভা সমষ্টিত একোটাকৈ উন্নতমানৰ অত্যাধুনিক প্ৰেক্ষাগৃহসহ, সাংস্কৃতিক কেন্দ্ৰ স্থাপন কৰাৰ বিষয়ে চৰকাৰে বিবেচনা কৰিব নে ? উক্ত সাংস্কৃতিক কেন্দ্ৰত নিয়মীয়াকৈ সংগীত, নৃত্য, নাটক আৰু আনুসংগিক পাঠ্যক্ৰমৰ বিনামূলীয়া শিক্ষা প্ৰদানৰ বিশেষ পদক্ষেপ গ্ৰহণৰ বিষয়ে ৰাজ্য চৰকাৰে বিবেচনা কৰিব নেকি ?

(গ) অসমৰ জাতি-জনগোষ্ঠীয় সাংস্কৃতিক উৎকৰ্ষ আৰু বিকাশৰ জৰিয়তেই জুবিন গাৰ্গৰ স্মৃতি যুগমীয়া হ'ব বুলি চৰকাৰে বিবেচনা নকৰে নে ? যদি কৰে জাতি-জনগোষ্ঠীয় সাংস্কৃতিক বিকাশ আৰু প্ৰসাৰৰ বাবে চৰকাৰে বিশেষ পদক্ষেপ গ্ৰহণ কৰিব নে ? (বিস্তৃত তথ্যসহ দাখিল কৰিব)

**-উত্তৰ-**

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ পৰা মাননীয় মন্ত্ৰী মহোদয় শ্ৰীযুত বিমল বড়া দেৱে উত্তৰ দিব-

(ক) অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ স্মৃতি যুগমীয়া কৰিবলৈ ৰাজ্য চৰকাৰে নিম্নোলেখিত পদক্ষেপ সমূহ ইতিমধ্যে গ্ৰহণ কৰিছে।

- ১৬/১০/২০২৫ তাৰিখে অনুষ্ঠিত কেবিনেট বৈঠকত গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি, সংগীতশিল্পী জুবিন গাৰ্গৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন হোৱা স্থানৰ উন্নয়ন আৰু ৰূপান্তৰৰ উদ্দেশ্যে এক প্ৰকল্প বাস্তবায়িত কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থাৰ পৰ্যালোচনা, চূড়ান্তকৰণ আৰু চৰকাৰক পৰামৰ্শ আগবঢ়োৱাৰ বাবে বিভিন্ন ক্ষেত্ৰৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক লৈ এখন সমিতি গঠন কৰি দিয়া হৈছে ।

  সমিতিখনৰ সদস্যসকল হৈছে ক্ৰমে-

১। শ্ৰীমতী গৰিমা গাৰ্গ ।

২। শ্ৰীমতী পালমী বৰঠাকুৰ ।

৩। শ্ৰী পাৰ্থ সাৰথি মহন্ত ।

৪। শ্ৰীমতী অনুৰাধা শৰ্মা পূজাৰী ।

৫। শ্ৰী বীৰেণ সিংহ ।

৬। শ্ৰী পুলক বেনাৰ্জী ।

৭। শ্ৰীমতী তৰালী শৰ্মা ।

৮। শ্ৰী শ্যামন্তক গৌতম ।

৯। শ্ৰী প্ৰাঞ্জল শইকীয়া ।

১০। শ্ৰী দুলাল মান্কী ।

১১। শ্ৰী সুদৰ্শন ঠাকুৰ ।

উক্ত সমিতিয়ে প্ৰয়োজনীয় ক্ষেত্ৰ পৰ্যায়ৰ মূল্যায়ন কাম হাতত লৈছে আৰু আন্তঃগাঁথনি আৰু স্মৃতিসৌধৰ উপাদানসমূহৰ ধাৰণা প্ৰস্তুত আৰু পৰৱৰ্তী প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ বাবে যোৱা ০৬/০৩/২০২৬ তাৰিখে এখন সভা অনুষ্ঠিত কৰিছে।

- ইতিমধ্যে ৰাজহ আৰু দুৰ্যোগ প্ৰশমন বিভাগে সোণাপুৰৰ ১০ বিঘা ০ কঠা ০ লেছা মাটি জুবিনক্ষেত্ৰ নিৰ্মাণৰ বাবে অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ক হস্তান্তৰ কৰিছে।
- জুবিন গাৰ্গৰ স্মৃতি যুগমীয়া কৰিবলৈ ৰাজ্য চৰকাৰে ইতিমধ্যে জুবিন ক্ষেত্ৰত পকী চাৰিসীমা নিৰ্মাণৰ বাবে ২০২৫-২৬ বিত্তীয় বৰ্ষত ৩১৯.৭৫ লাখ টকা অনুমোদন জনাইছে। ইতিমধ্যে পকী চাৰিসীমা নিৰ্মাণৰ কাম আৰম্ভ হৈছে আৰু বৰ্তমানলৈ ৩০% কাম সমাপ্ত হৈছে।

(খ) জুবিন গাৰ্গৰ স্মৃতিত অসমৰ প্ৰতিটো বিধানসভা সমষ্টিত একোটাকৈ উন্নতমানৰ অত্যাধুনিক প্ৰেক্ষাগৃহসহ, সাংস্কৃতিক কেন্দ্ৰ স্থাপন কৰাৰ বিষয়ে আৰু উক্ত সাংস্কৃতিক কেন্দ্ৰত নিয়মীয়াকৈ সংগীত, নৃত্য, নাটক আৰু আনুষংগিক পাঠ্যক্ৰমৰ বিনামূলীয়া শিক্ষা প্ৰদানৰ বিষয়টো প্ৰয়োজনীয় পুঁজিৰ আবন্টন সাপেক্ষে যথাসময়ত বিবেচনা কৰা হ'ব।

(গ) অসমৰ বিভিন্ন জনগোষ্ঠীৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ, সংবৰ্ধন আৰু সামগ্ৰিক সাংস্কৃতিক বিকাশ নিশ্চিত কৰাৰ উদ্দেশ্যে সাংস্কৃতিক পৰিক্ৰমা বিভাগে বিভিন্ন গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। বিভাগটোৱে সফলতাৰে বিহু বিনন্দীয়া, ঝুমইৰ বিনন্দিনী আৰু বাগুৰুম্বা দহৌ আদি বৃহৎ সাংস্কৃতিক অনুষ্ঠান আয়োজন কৰি ৰাজ্যৰ বিভিন্ন জনগোষ্ঠীৰ সমৃদ্ধ সাংস্কৃতিক পৰম্পৰাক সগৌৰৱে উপস্থাপন কৰিছে। এই অনুষ্ঠানসমূহে পৰম্পৰাগত নৃত্য, সংগীত, সাজ-পোছাক, লোককলা আৰু অন্যান্য থলুৱা সাংস্কৃতিক পৰম্পৰা সংৰক্ষণ আৰু প্ৰচাৰৰ এক উল্লেখযোগ্য মঞ্চ প্ৰদান কৰাৰ লগতে ৰাজ্যজুৰি শিল্পী, সাংস্কৃতিক দল আৰু কলাকুশলীৰ সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰিছে।

আমি প্ৰতি বছৰে আমাৰ সাংস্কৃতিক, সামাজিক দিশত অবিস্মৰণীয় অৱদান যোগাই যোৱা মনিষী সকলৰ জন্ম বা মৃত্যু তিথি বিভিন্ন ধৰণে উদযাপন কৰি তেখেত সকলৰ সৃষ্টিৰাজিৰ অনুশীলন কৰোঁ। ইয়াৰ জৰিযতে নতুন প্ৰজন্মৰ মাজলৈ তাক লৈ যোৱাৰ প্ৰয়াস কৰোঁ।

তদুপৰি বিভিন্ন জনগোষ্ঠীৰ সামাজিক সাংস্কৃতিক ঐতিহ্য সমূহক বিভিন্ন মঞ্চত উদযাপনৰ জৰিয়তে এই বৈচিত্ৰময় সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণ তথা প্ৰচাৰ আৰু প্ৰসাৰৰ ব্যৱস্থা কৰি অহা হৈছে।

পৰম্পৰাগত শিল্প-সংস্কৃতিৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰখা আৰু উদীয়মান প্ৰজন্মৰ মাজত সাংস্কৃতিক চেতনাৰ বিকাশ সাধনৰ উদ্দেশ্যে বিভাগটোৱে ৰাজ্যৰ সকলো বিধানসভা সমষ্টিত গ্ৰীষ্মকালীন অৱকাশকালীন সাংস্কৃতিক কৰ্মশালা আয়োজন কৰি শিশু আৰু যুৱ প্ৰজন্মক সুসংগঠিত প্ৰশিক্ষণ, সাংস্কৃতিক অভিজ্ঞতা আৰু স্থানীয় শিল্প, লোকসংস্কৃতি তথা থলুৱা পৰম্পৰাৰ সৈতে পৰিচিত হোৱাৰ সুযোগ প্ৰদান কৰিছে।

ইয়াৰ লগতে, ভাৰত ৰত্ন ড° ভূপেন হাজৰিকাৰ জন্মশতবাৰ্ষিকী উপলক্ষে বছৰজোৰা উদযাপনৰ বাবে অসম চৰকাৰে বিভিন্ন কাৰ্য্যসূচী গ্ৰহণ কৰিছে। ইয়াৰ অংশ হিচাপে এই অনুষ্ঠানৰ জৰিয়তে ড° ভূপেন হাজৰিকাৰ জীৱন, কৰ্ম আৰু অসামান্য সাংস্কৃতিক অৱদানক সশ্ৰদ্ধ স্মৰণ কৰাৰ লগতে অসমৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্য, দেশপ্ৰেমৰ মূল্যবোধ আৰু ৰাজ্যৰ অন্যতম শ্ৰেষ্ঠ সাংস্কৃতিক ব্যক্তিত্ব হিচাপে তেখেতৰ চিৰস্মৰণীয় অৱদানক সমুজ্জ্বল কৰি তোলা হয়।

এনে ধৰণৰ অনুষ্ঠানৰ আয়োজনৰ মাধ্যেমেৰে আমিও যেন প্ৰাণৰ শিল্পী জুবিন গাৰ্গক বিচাৰি পাও। জুবিন গাৰ্গে অসমৰ সমাজ জীৱন, প্ৰকৃতি তথা পৰম্পৰাক লৈ শিল্প সাধনাত ব্ৰতী হৈছিল। এই সাধনাই নৱ প্ৰজন্মক অণুপ্ৰাণিত কৰি আহিছে। চৰকাৰেও অসমৰ সকলো জাতি জনগোষ্টীক সামৰি লোৱা জুবিন গাৰ্গৰ সৃষ্টি ৰাজিক চিৰস্মৰণীয় আৰু চিৰ প্ৰবাহমান কৰি ৰখাৰ বাবে যৎ পৰোনাস্তি সম্ভৱপৰ সকলো প্ৰচেষ্টাই চলাই আছে।

*উত্তৰ ইতিমধ্যে অনলাইন যোগে প্ৰেৰণ কৰা হৈছে*

XXXXXXXXOXXXXXXX